# ঃ সংবাদ ঃ

—সুশীল পাটোৱাৰী
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান শাখা )

অনুপমাহঁতৰ ঘৰখনত আজি উগুল-থুগুল লাগি পৰিছে। মাকৰ পৰা দেউতাকলৈ ঘৰখনৰ প্ৰতিটো প্ৰাণীয়ে কিবা এক অব্যক্ত আনন্দত উৎফুল্লিত হৈ পৰিছে। অনুপমাৰ অৱস্থাটো আৰু এখোপ চৰা। তাইৰ অন্তৰৰ আনন্দ আগ্নেয়-গিৰিৰ দৰে যেন যি কোনো মুহূৰ্ততে ওলাই আহিব।

ষোল বছৰীয়া অনুপমাই ককায়েকৰ বিচনাখনত পাৰিম বুলি নতুন বিছনা চাদৰখন লৈ ভাবিবলৈ ধৰিলে কিমান দিন যে ককায়েক উজ্জ্বলক দেখা নাই। কিমান দিন হ'ব বাৰু? তাই নিজকে প্ৰশ্ন কৰিলে। উত্তৰ পাবলৈ বেছি সময় নালাগিল। এইবেলি বিহুটো পালে পুৰা চাৰি বছৰ হ'ব। পুনৰ তাইৰ মনলৈ প্ৰশ্ন আহিল। এই চাৰি বছৰে সি বাৰু ক'ত আছিল? ক'ত কি কৰি ঘূৰি ফুৰিছিল? ঠিকমতে খোৱা শোৱা মেলা কৰিব পাৰিছিলনে? তাৰ বাৰু সিহঁতলৈ মনত পৰা নাছিলনে? এইবাৰ আহিলে সি আৰু ঘূৰি যাব নেকি?

প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি তাই খন্তেকলৈ আনমনা হৈ পৰিছিল। মাকে কোঠাৰ দুৱাৰ মুখৰ পৰা দুবাৰ মতাতো তাই শুনা নাছিল। তৃতীয়বাৰ আগতকৈ জোৰত মতাতহে তাই শুনিলে। মাকে আবেগেৰে কৈ গ'ল—'অনুপমা দেৰি নকৰিবি। বিছনাখন কৰি সোনকালে আহ। পাচলিখিনি মোক কুটি-বাছি দে। দেউতাৰেও বজাৰলৈ ওলাই গৈছে। মাছ-মঙহ কিবা পালে কিনি সাউতকৈ ওলাবহি।'

মাক যোৱাৰ ফালে চাই অনুপমাই ভাবিলে —এৰা, তাই সময় নষ্ট কৰিব নোৱাৰে। আৰু অলপ পিচতে ভালদৰে সাজ লাগিব আৰু তাৰ অলপ পিচতে ককায়েক উজ্জ্বল আহি ওলাবহি। যোৱা কালিয়ে গাঁৱৰ হৰি মাষ্টৰৰ ল'ৰা অনুপৰ মুখত উজ্জ্বলে অতি গোপনে খবৰ পঠিয়াইছে— আজি সন্ধিয়া ঠিক সাত বজাৰ পিচতে সি আহিব। লগত আৰু এজন সহকৰ্মী বন্ধুও আহিব। নিশা খোৱা-বোৱা কৰি ঘৰতে থাকিব। অৱশ্যে সি ঘৰলৈ অহা খবৰটো যাতে কোনো প্ৰকাৰে ঘূণাক্ষৰেও বাহিৰত প্ৰকাশ নাপায় তাৰ প্ৰতি সকলোকে সতৰ্ক কৰি দিবলৈ অনুপক দঢ়াই দঢ়াই কৈ পঠাইছে।

অনুপমাই বিচনা পৰা শেষ কৰি দৌৰা-দৌৰিকৈ কোঠাৰ পৰা ওলাই পাকঘৰ পালে। মাকৰ কাষতে বহি তাই পাছলিখিনি কুটাত ব্যস্ত হৈ পৰিল। মাক চৌকাৰ ওপৰত তুলি দিয়া পায়সখিনি লাৰি দিয়াত ব্যস্ত। মাকৰ নীৰৱ

মূৰ্ত্তিটোলৈ চাই তাইৰ বুজিবলৈ বাকী নাথাকিল মাকৰ মনত কিহৰ জোৱাৰ উঠিছে। আজি চাৰি বছৰে এই ৰূপ তাই ইতিমধ্যে বহুবাৰ প্ৰত্যক্ষ কৰিছে যদিও আজি যেন সেই ৰূপৰ স্বৰূপ অলপ বেলেগ। ঠিক যেন ধুমুহা বৰষুণৰ আগমুহূৰ্ত্তৰ আকাশৰ গোমা ৰূপ।

অনুপমাই পাচলিখিনি কুটা শেষ কৰি থিয় হ'ব খোজোতেই পাকঘৰৰ পিচফালৰ দুৱাৰখনত কাৰোবাৰ হাতৰ টোকৰ শুনিলে। উচপ খাই মাক থিয় হ'ল। অনুপমায়ো আহি মাকৰ কাষ পালে। আৰু ঠিক সেই মুহূৰ্ত্ততে দুৱাৰখন লাহে লাহে মেলি দুটি মানুহ ছায়া মূৰ্ত্তিৰ নিচিনা এটাৰ পিচত এটাকৈ সোমাই আহিল। সিহঁতৰ গাত সৈনিকৰ পোছাক। হাতত ষ্টেনগান। মাকে খন্তেক এটা মূৰ্ত্তিৰ ফালে নিৰীক্ষণ কৰি 'উজ্বল' বুলি ওখ পাখ ডেকাজনক সাৱটি ধৰিলে। 'মনে মনে থাকা মা, মনে মনে থাকা, কোনোবাই শুনিব।' বুলি ডেকাজনে মুখ মেলাৰ পিচত অনুপমাৰ আৰু বুজিবৰ বাকী নাথাকিল যে সেয়া তাইৰ চাৰি বছৰ আগতে দেশ মাতৃৰ স্বাৰ্থত ওলাই যোৱা আপোনৰো আপোন ককায়েক উজ্বল। 'ককাইদেউ' বুলি তায়ো ডেকাজনক সাৱটি ধৰিলে। সিহঁতৰ চিঞৰৰ শুনি ইতিমধ্যে মাছ কিনি ঘৰ সোমোৱা দেউতাকো উধাতু খাই সেইখিনি পালেহি। উজ্বলক দেখি দেউতাকৰ মুখতো এটি আনন্দৰ হাঁহি-বিৰিঙি উঠিল। আবেগত তেওঁ কৈ উঠিল—'উজ্বল তই আহিলি!' "হয় দেউতা' বুলি সি কুঁজা হৈ দেউতাকৰ ভৰি চুলে।

উজ্বলে তাৰ সৈতে অহা উদ্ধৱক ঘৰৰ প্ৰত্যেকৰ লগত চিনাকি কৰি দিলে। তাৰ পিচত মাকৰ বাহিৰে আটাই কেইটা ড্ৰইং ৰূমত প্ৰৱেশ কৰিলে। ড্ৰইং ৰূমত বহাৰ পিচত অনুপমাই চাৰি বছৰত হৈ যোৱা ঘৰৰ বহু কথাই উজ্বলক জনালে। মাকে যে প্ৰায়ে উজ্বলৰ কথা কৈ কান্দি থাকে আৰু দেউতাকে যে নানান বুজনিৰে মাকক শান্ত্বনা দিয়ে সেই সকলোবোৰ কথা তাই অনৰ্গল কৈ যাবলৈ ধৰিলে। অনুপমাই উৎসাহেৰে কোৱা কথাখিনি শেষ হোৱাৰ পিছত দেউতাকে নানা যুক্তি দি দুয়োজন বিপ্লৱীকে বিপ্লৱৰ কণ্টকময় পথ ত্যাগ কৰিবলৈ পৰামৰ্শ দিলে। ইতিমধ্যে মাকে চাহ আনি প্ৰত্যেকৰে সমুখত থ'লে। চাহৰ লগত মাকে অতি হেঁপাহেৰে বনোৱা পায়স আৰু অনুপমাই আবেলিতে বনাই থোৱা পিঠা। চাহ খাবলৈ কৈ মাকেও সিহঁতক বুজালে যাতে সিহঁতে হিংসা আৰু ৰক্তপাতৰ ৰাষ্ট ত্যাগ কৰি অহিংস পথেৰে লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰে। প্ৰত্যুত্তৰত এইবাৰ উদ্ধৱে ক'লে—"খুড়ীদেউ, শস্যত যেতিয়া পোকে ধৰে তেতিয়া সেই পোক-বোৰ ঔষধ প্ৰয়োগ কৰি ধ্বংস কৰা হয়। আৰু পোকবোৰ ধ্বংস হ'লে এডৰা নতুন নদন-বদন শস্যৰ সৃষ্টি হয়। ঠিক সেইদৰে সমাজ জীৱনক আক্ৰমণ কৰা পোকবোৰ ধ্বংস কৰিলেহে সমাজ-খন নিকা হয়। মাকে পুনৰ ক'লে—'এইবোৰ কাম তোমালোকে প্ৰাণৰ বিনিময়ত নকৰি আন উপায়েৰেওতো কৰিব পাৰা!' উদ্ধৱে তাৰ বৈপ্লৱিক যুক্তি আকৌ দাঙি ধৰি ক'লে—'খুড়ীদেউ, শস্য আক্ৰমণ কৰা পোকবোৰ যেদি

দিলে সিহঁতে পুনৰ আহি শস্যৰ অনিষ্ট কৰে। শস্য ৰক্ষা কৰিব লাগিলে সেয়ে পোকবোৰ একে-বাৰে ধ্বংস কৰা উচিত।' উদ্ধৱৰ কথা শেষ হোৱাৰ লগে লগে ইমান বেলি নীৰৱে থকা উজ্জ্বলেও মাত লগালে—'মা, তুমি কৈছা অস্ত্ৰৰ দ্বাৰা আমি সমস্যা সমাধান কৰিব নোৱাৰো। কিন্তু তুমিতো দেখিছা যিসকলে দেশ শাসনৰ গাদীত বহি আছে তেওঁলোকেতো সন্ত্ৰাসবাদ ৰোধ কৰিববলৈ পুলিছ মিলিটেৰী নিয়োগ কৰে! আৰু তেওঁলোকৰ আজ্ঞাবাহী পুলিচ-মিলিটাৰীয়ে হেজাৰজনক ঘৃণীয়া কৰে—হেজাৰ জনৰ প্ৰাণ লয়। তেওঁলোকে দেখো অস্ত্ৰৰ বাহিৰে আন উপায়েৰে সমস্যা সমাধান কৰাৰ কথা চিন্তা নকৰে!' মাকে উদ্ধৱ আৰু উজ্জ্বলৰ যুক্তি শুনিলে যদিও মনে মনে ধৰি ল'লে ক'ৰবাত কিবা কেনা লাগিছে। তেওঁৰ অনুভৱ হ'ল সিহঁতে যেন সঠিক বাট বিচাৰি ল'ব পৰা নাই। কথা বঢ়াব নুখুজি আলোচনা সিমানতে সমাপ্ত কৰি মাকে সিহঁতক পাকঘৰলৈ ভাত খাবলৈ মাতি নিলে।

পাক ঘৰত ইতিমধ্যে অনুপমাই ভাত বঢ়াৰ দিহা কৰিছিল। মাকে আহি নিজেও লাগি দিলে। উজ্জ্বল আৰু উদ্ধৱৰ লগত দেউতাকেও ভাত খাবলৈ বহিল। খাই থকাৰ সময়ত আৰু নানা ধৰণৰ কথাৰ অৱতাৰণা হ'ল।

তেওঁলোকৰ ভাত খোৱা প্ৰায় শেষ হৈছেহে ঠিক সেই সময়তে সিহঁতৰ দৰ্জাত কোনোবাই টুকুৰিওৱা শুনিলে।

'কোন?' দেউতাকে সন্ত্ৰস্ততাৰে প্ৰশ্ন কৰিলে।

'মই অনুপ, দৰ্জাখন সোনকালে খুলি দিয়ক।' মুখত ল'ব খোজা শেষ গৰাহ ভাত কাঁহীত থৈ হাতখন পানীৰে দৌৰাদৌৰিকৈ ধুই লৈ উজ্জ্বলেই দৰ্জাখন খুলি দিলে। দৰ্জা খোলাৰ লগে লগে অনুপ ফোঁপাই-জোপাই সোমাই আহিল। সি ভিতৰত সোমায়ে কোনো পাতনি নেমেলাকৈ ক'লে যে পুলিচ–মিলিটেৰীয়ে উজ্জ্বল-হঁতৰ আগমনৰ কথা গম পাইছে। গতিকে সিহঁত অতি সোনকালে তাৰ পৰা পলাব লাগে।

কথা শুনি উজ্জ্বল আৰু উদ্ধৱে মুহূৰ্ততে নিজৰ কৰ্তব্য স্থিৰ কৰি পেলালে। ওচৰতে পেলাই থোৱা ষ্টেনগান দুটা দুয়ো তুলি লৈ পাকঘৰৰ পিচ ফালৰ দৰ্জাখনেৰে বাৰীৰ ফালে এন্ধাৰৰ মাজে মাজে দৌৰ দিলে। ঘৰখনৰ আনন্দ নিমিষতে হেৰাই গ'ল। হঠাৎ অদূৰত গুলিৰ শব্দ শুনা গ'ল। লগে লগে চাৰিওফালে হৈ চৈ লাগি পৰিল। বনজুইৰ দৰে বিয়পি পৰা বাতৰি উজ্জ্বলৰ মাক–দেউতাক আৰু ভনীয়েক অনুপমায়ো পালে—উজ্জ্বল আৰু উদ্ধৱ মিলিটেৰীৰ হাতত ধৰা পৰিছে।

উজ্জ্বলৰ মাক পাগলীৰ দৰে হৈ পৰিল। উজ্জ্বলহঁতৰ ঘৰত গোট খোৱা মানুহবোৰৰ কোনো কোনোৱে মাকক শান্ত্বনা দিয়াৰ চলেৰে ক'লে যে পুলিচ–মিলিটেৰীয়ে উজ্জ্বল আৰু উদ্ধৱক একো কৰা নাই, মাথো দুই এটা ধমক দি গাড়ীত উঠাই লৈ গৈছে।...

দহমিনিট সময় কথমপি পাৰ হৈ গৈছিল। হঠাৎ অনুপ দৌৰি আহি সকলোকে বিশ্বাস আৰু অবিশ্বাসৰ অটল সাগৰত পেলাই খবৰ দিলে যে উজ্জ্বল আৰু উদ্ধৱক চাৰিআলিত গাড়ী ৰাখি দৌৰিবলৈ দিয়া হৈছিল আৰু দৌৰি

থকাৰ সময়তে পিচফালৰ পৰা গুলি কৰি সিহঁত দুজনক হত্যা কৰা হয়। উজ্জ্বলৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে মাক মূৰ্চ্ছা যায়।

পিচদিনা বাতৰি কাকতত সকলোৱে পঢ়িবলৈ পালে উদ্ধৱ আৰু উজ্জ্বলৰ মৃত্যুৰ বাতৰি। ডাঙৰ হৰফৰ শিৰোনামাৰে প্ৰচাৰ কৰা বাতৰিৰ বিৱৰণীত প্ৰকাশ কৰা হ'ল যে আগ নিশা প্ৰায় আঠ বজাত দুৰ্দ্ধৰ্ষ উগ্ৰপন্থী উজ্জ্বল ডেকা আৰু উদ্ধৱ শৰ্মাক সেনা বাহিনী আৰু পুলিচৰ যুটীয়া প্ৰচেষ্টাত গ্ৰেপ্তাৰ কৰি থানা অভিমুখে আনি থকা অৱস্থাত সিহঁত দুয়ো সৈন্যবাহিনীৰ দুজন জোৱানৰ গালৈ হাতবোমা নিক্ষেপ কৰি পলাব খোজোতে সৈন্য-বাহিনীৰ লগত হোৱা খণ্ড যুদ্ধত গুলি বিদ্ধ হৈ দুইজনৰে মৃত্যু ঘটে। ★

---

তুমি সাহসী হোৱা—কাৰোবাক হত্যা কৰিবলৈ নহয়: তুমি ঘিণ কৰা ভাৰক প্ৰেমেৰে আকোৱালী ল'বলৈ। প্ৰেমে কাৰো মাজত বিভাজন নানে, বৰং ই ভগৱানৰ লগত আমাক সাঙোৰেহে।

—মাদাৰ টেৰেছা

প্ৰথমে নিজক বুজি লোৱা, তেতিয়াহে আনক বুজিবা।

—চক্ৰেটিছ

জীৱন সংগ্ৰামৰ পদে পদে বাধা নাথাকিলে সংগ্ৰামৰ অৰ্থ কি হ'ল? সহজতে পোৱা কোনো বস্তুৱে তৃপ্তি নাথাকে। তৃপ্তি কষ্টসাধ্য বস্তু এটাৰ ওপৰতহে পোৱা যায়।

—টমাছ হাৰ্ডি

---

# ॥ প্ৰতীক্ষা ॥

ক্ষীৰোদ কুমাৰ চৌধুৰী
১ম বাৰ্ষিক, স্নাতক মহলা

সকুৰে পৰা দেশৰ বাবে দহৰ হকে সক্ৰিয় অংশ গ্ৰহণ কৰা অঞ্জন চৌধুৰীৰ কৰ্ম নিপুণতা সকলোৱে দেখি আহিছিল। সমাজৰ যি কোনো কামতে অঞ্জন চৌধুৰীৰ সহযোগিতাৰ তুলনা নাছিল। সমাজত তেওঁৰ সেয়ে এক স্বকীয়া স্থানো আছিল। সামাজিক কাম-কাজত অঞ্জন চৌধুৰী যিমান তৎপৰ আছিল, বুদ্ধি আৰু জ্ঞানতো আছিল সিমান প্ৰখৰ। সুখ্যাতিৰে স্নাতক ডিগ্ৰী লোৱা সেয়ে তেওঁৰ বাবে বিশেষ কঠিন হোৱা নাছিল। স্নাতক ডিগ্ৰী লোৱাৰ পিচত তেওঁৰ স্বাধীনচিতীয়া মনে চৰকাৰী চাকৰিলৈ হাবিয়াস কৰা নাছিল। ব্যক্তিগতভাৱে কিবা এটা প্ৰতিষ্ঠান খোলাৰ মানসেৰে তেওঁ চৰকাৰৰ পৰা এটা ঋণ লৈছিল। এই ঋণটোৰে তেওঁ সৰু পথাৰত সৰুকৈ এটি তাঁত শিল্পৰ উদ্যোগ খোলে। এই মহিলা প্ৰতিষ্ঠানটো চলাবৰ বাবে অঞ্জনে নিযুক্তি দিছিল মানসী বৰুৱা নামৰ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা ছোৱালী এজনী।

মানসী বৰুৱা ক্ৰমে অঞ্জনৰ মানসী হিচাপে প্ৰতীয়মান হৈছিল। তেওঁ তাঁতত কেনেধৰণে কাপোৰ বব লাগে, কেনেদৰে ফুল বাছিব লাগে ইত্যাদি কথাবোৰ প্ৰতিষ্ঠানটোত প্ৰশিক্ষণ লোৱা প্ৰতিজনী ছোৱালীকে সুন্দৰকৈ শিকাব পাৰিছিল। ফল স্বৰূপে প্ৰতিষ্ঠানত প্ৰশিক্ষণ লোৱা মহিলা আৰু ছোৱালীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল আৰু প্ৰতিষ্ঠানৰ আয়ো ক্ৰমে বাঢ়ি গৈছিল। এটা কথাত ক'বলৈ গ'লে, অঞ্জন চৌধুৰীৰ উদ্যোগ প্ৰতিষ্ঠানটো সুন্দৰভাৱে চলাই লৈ গৈছিল একমাত্ৰ মানসী বৰুৱাই।

সময় বাগৰিছিল। এটা সময়ত মানসী অঞ্জনৰ একেবাৰে আপোন হৈ পৰিছিল। সেয়ে এদিন অঞ্জনে মানসীক কৈয়ে পেলালে—মানসী, সময়ে কালৈ বাট চাই থাকিব? তুমিতো জানাই এই প্ৰতিষ্ঠানটো তোমাৰ বাহিৰে আনে চলোৱাটো সম্ভৱ নহ'ব। তুমি মোক বুজিবলৈ এবাৰ চেষ্টা কৰা। মোৰ চকুৰ ফালে এবাৰ চালেই বুজিব পাৰিবা মই তোমাক পাব বিচাৰোঁ।' কেই চেকেণ্ডমান মানসী নীৰৱ হৈ থাকি অঞ্জনৰ ফালে চাই মাথো সম্মতিসূচক এক সলজ্জ হাঁহি মাৰিছিল।

এনেদৰে সম্পূৰ্ণ বুজাবুজিৰ ভিত্তিত অঞ্জন আৰু মানসীৰ বিয়াখন এদিন সম্পন্ন হৈ গৈছিল। সুন্দৰ যুগ্ম জীৱনৰ স্বাক্ষৰ হিচাপে সময়ত তেওঁ লোকৰ সংসাৰলৈ আহিছিল দুটি ল'ৰা সন্তান। অঞ্জন আৰু মানসী দুয়ো লগ লাগি ডাঙৰ সন্তানটিৰ নাম ৰাখিছিল মানস আৰু সৰু সন্তানটিৰ

নাম ৰাখিছিল সোণমণি। মাক মানসীৰ লক্ষ্য আছিল সিহঁতক ভাল মানুহ কৰা, ডাঙৰ মানুহ কৰা। সিহঁতক আশ্ৰয় কৰি মানসীৰ আছিল বহুতো আশা, বহুতো কল্পনা। মানসীৰ নিৰ্দ্দোষ আশা কল্পনাবোৰে অঞ্জনক দিছিল বিমল তৃপ্তি।

বতিহীন ভাবে চলি যোৱা তেওঁলোকৰ যুৰীয়া জীৱনত এদিন অভাৱনীয়ভাবে নামি আহিছিল বিপদৰ কলীয়া ডাৱৰ। যি অঞ্জন চৌধুৰী ঘৰ সংসাৰ বাদ দিয়েো সভা সমিতিৰ নিমন্ত্ৰণ ৰক্ষা কৰে সেই অঞ্জনক কিছুদিনৰ পৰা ঘৰতে নীৰৱে বহি থকা দেখি মানসীয়ে এদিন অঞ্জনক সুধি পেলালে—'আজি কেইদিনমানৰ পৰা আপোনাৰ মন একেবাৰে ভাল নহয় যেন অনুমান হৈছে। এনেয়ে এঘণ্টাও ঘৰত বহি থাকিব নোৱাৰা মানুহজন এই কেইদিন কি কাৰণত ক'লৈকে নগৈ ঘৰতে বহি আছে আপুনি কব লাগিব।' এটি হুমুনিয়াহ কাঢ়ি অঞ্জনে কৈছিল—'কম মানসী, সকলো ক'ম। সকলোবোৰ শুনাৰ পিচত তোমাৰ চকুলো কোনে মচি দিব সেই চিন্তাইহে মোক খুলি খুলি খাইছে। ··· ··· শুনা, আজি প্ৰায় তিনি মাহ মান আগৰ পৰা মোৰ হৃদ-যন্ত্ৰত কিবা এটা বিষ অনুভব কৰি কাকো আনকি তোমাকো নোকোৱাকৈ আছিলোঁ। অৱশেষত বিষ অসহনীয় হৈ অহাত যোৱা সপ্তাহত গুৱাহাটীলৈ যাওঁতে মই গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী হস্পিতালৰ ডাঃ ৰঞ্জন চলিহাৰ ওচৰ পাইছিলোঁ। ডাঃ চলিহাৰ মতে বেমাৰ গোপন কৰি ৰখাৰ পুৰস্কাৰ হিচাপে মই অচিৰেই মৃত্যুক সাৱটি ল'ব লাগিব। সেয়েহে মই ঘৰৰ পৰা ক'লৈকো ওলোৱা নাই। ভাৱ হয় ক'ৰবালৈ ওলালেই জানোচা কিবা অঘটন ঘটে!"

অঞ্জনৰ কথাখিনি শুনাৰ পিচত মানসী বাউলীৰ দৰে কান্দি উঠিছিল। কি কথাৰে কি ভাবাৰে নিজক আৰু প্ৰাণাধিক স্বামীক শান্তনা দিব ভাবি পোৱা নাছিল।

এই ঘটনাৰ কেইদিন মান পিচতে নিয়তিয়ে মানসীৰ শিৰৰ সেন্দূৰ কাঢ়ি নিলে আৰু মানস আৰু সোণমণিহঁতৰ মুখৰ পৰা জীৱন্ত ব্যক্তি এজনক দেউতা বুলি মতাৰ অধিকাৰ খিনিও কাঢ়ি নিলে। বগা সাজ এযোৰ পিন্ধি উকা কপাল এখন লৈ মানসী পোনতে কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিছিল যদিও পিচলৈ মন স্থিৰ কৰি পেলালে। তেওঁৰ সমুখত প্ৰধানকৈ এটাই ধ্যান ধাৰণা হ'ল—ল'ৰা দুজনক মানুহ কৰিবই লাগিব। আৰু তাৰ বাবে তেওঁ নিৰ্ভৰ কৰিব লাগিব একমাত্ৰ অৱলম্বন ক্ষুদ্ৰ শিল্প প্ৰতিষ্ঠানটোৰ ওপৰত। লগতে মানসীৰ মনত আৰু এটা নতুন কল্পনাৰ আবিৰ্ভাৱ হ'ল—সমাজকৰ্ম্মী, দেশকৰ্ম্মী স্বামী অঞ্জন চৌধুৰীৰ স্মৃতিত তেওঁলোকৰ বাসস্থান সৰু পথাৰৰ পৰা আৰম্ভ কৰি সমগ্ৰ অসমতে এটি মহান সংগঠনৰ জন্ম দিয়া। তেওঁৰ এইটোও আশা—এই অনু-ষ্ঠানৰ গুৰি ধৰক অঞ্জনৰ জীৱন্ত প্ৰতিমূৰ্ত্তি মানস আৰু সোণে।

সময়ত মানসীৰ আশা আৰু কল্পনাই বাস্তৱত অঙ্কুৰ মেলিছিল। মানসে ইতিহাস বিষয় লৈ এম. এ. পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ উত্তীৰ্ণ হৈছিল আৰু সোণে পদাৰ্থ বিজ্ঞানত 'মেজৰ' লৈ সুখ্যাতিৰে বি. এছ. চি পৰীক্ষাত

উত্তীৰ্ণ হৈছিল। মানস আৰু সোণ মানসীয়ে আশা কৰা মতেই দেউতাক অঞ্জনৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ ডাঙৰ দীঘল হৈছিল। মানসীয়ে মানস আৰু সোণক অৱলম্বন কৰি লৈ নিজৰ ঐকান্তিক প্ৰচেষ্টা আৰু উদ্যোগেৰে সৰু পথাৰত পোন প্ৰথমে জন্ম দিছিল এটি সমাজ উন্নয়ন অনুষ্ঠানৰ। স্বৰ্গীয় স্বামী অঞ্জনৰ স্মৃতিত জন্ম দিয়া অনুষ্ঠানটিৰ নাম ৰাখিছিল—'অঞ্জন সমাজ বিকাশ সংগঠন'।

অচিৰেই সংগঠনটোৱে নিজৰ কৰ্ম কুশলতাৰ বলত ৰাইজৰ সুদৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। কোৱা বাহুল্য, এই ক্ষেত্ৰত মানস আৰু সোণৰ অৰিহণা আছিল প্ৰভূত।

সময়ৰ লগে লগে অনুষ্ঠানটোৱে অসমৰ বিভিন্ন অঞ্চলতো শাখা কেন্দ্ৰ স্থাপন কৰিবলৈ সমৰ্থ হৈছিল। বিভিন্ন অঞ্চলৰ আদৰ্শবাদী উদ্যোগী ডেকা-গাভৰু বিলাকেই, মূলতঃ আছিল এই কেন্দ্ৰ সমূহৰ সদস্য। বানপানী, ভূমিকম্প, মহামাৰী, সাম্প্ৰদায়িক সংঘৰ্ষ আদিত বিপদাপন্ন হোৱা ৰাইজক স্বেচ্ছামূলক সেৱা আগবঢ়োৱাটোৱে আছিল মূল কেন্দ্ৰটোৰ দৰে এই কেন্দ্ৰ সমূহৰো লক্ষ্য। মূল কেন্দ্ৰটোৰ দৰে এই শাখা কেন্দ্ৰ সমূহেও অঞ্চলে অঞ্চলে ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিব পাৰিছিল। কেন্দ্ৰ সমূহৰ কৃতকাৰ্য্যতা দেখি মানসীৰ এনে লাগিছিল যেন তেওঁৰ স্বামী অঞ্জনে অঞ্চলে অঞ্চলে ঘূৰি সমাজৰ সেৱা কৰি ৰাইজৰ অকুণ্ঠ মৰম চেনেহ আৰু প্ৰশংসাহে বুটলিছে!

মানসীৰ উৎসাহ আৰু অনুপ্ৰেৰণাত মানস আৰু সোণে শাখা কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ আৰু প্ৰতিষ্ঠিত কেন্দ্ৰসমূহৰ কাম-কাজ তদাৰক কৰিবলৈ অসমৰ বিভিন্ন অঞ্চলত প্ৰায়ে ঘূৰি ফুৰিবলগীয়া হৈছিল। সোণ সৰু বাবে মানসেই এই ক্ষেত্ৰত বেছিকৈ আগভাগ লৈছিল। দুই গোষ্ঠী সংঘৰ্ষৰ ফলস্বৰূপে দুৰ্গত হৈ পৰা ৰাইজক সহায় কৰিবলৈ মানস এবাৰ যাবলগীয়া হৈছিল নিজ ঘৰৰ পৰা দুশ মাইল আঁতৰৰ স্থান এডোখৰলৈ। তালৈ গৈ মানসে স্থানীয় কেন্দ্ৰৰ কৰ্মী সকলক সহায়ত দেহে-কেহে লাগি গৈছিল দুৰ্গত সকলৰ সহায় কৰাত। সভা-সমিতি পাতি সম্প্ৰীতি ৰক্ষা কৰিবলৈ উদাত্ত বক্তৃতা দিছিল মানসে। দেশত অশান্তিৰ জুই জ্বলাবলৈ চেলু চাই থকা সমাজ বিৰোধী চক্ৰ এটাই মানসহঁতৰ ওপৰত বহুদিনৰ পৰা আখেজ ৰাখি আছিল। সেইদিনা মানসহঁতে বক্তৃতা দি ঘূৰি আহোঁতে মানসহঁতৰ এম্বেছেদৰ গাড়ীখন নিৰ্জন স্থান এডোখৰত এই চক্ৰটোৰ কেইজনমানে আক্ৰমণ কৰিলে। মাৰণাস্ত্ৰেৰে সজ্জিত দলটোৱে মানসহঁতৰ যাকে যেনেকৈ পালে আক্ৰমণ কৰি গাড়ীখন ভাঙি ছিঙি চুৰমাৰ কৰি তাৰ পৰা পলাই পত্ৰং দিলে। কিছু বেলিৰ মূৰত ৰাইজে গম পাই কিছু দূৰৰ হস্পিতাললৈ নিলে যদিও মানসৰ আঘাত আটাইতকৈ বেছি হোৱাত হস্পিতাললৈ নিয়াৰ পথত মানসৰ মৃত্যু ঘটিল। লগৰীয়া কেইজনক গুৰুতৰ অৱস্থাত সেই হস্পিতালত প্ৰাথমিক চিকিৎসা দি মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হ'ল।

নিষ্ঠুৰতম বাতৰিটো সেইদিনাই গধূলি ৰেডিঅ' যোগে পাই মাক মানসী উদ্বাউল হৈ পৰিল।

স্বামী অঞ্জনক হেৰুৱাৰ আঘাত পাহৰি নোৱোৰাতে অকল্পনীয় এই আঘাতে মানসীক সম্পূর্ণ ৰূপে কাবু কৰি পেলাব বুলি বহুতেই শঙ্কা কৰিছিল যদিও মানসী কিন্তু পৰিস্থিতিৰ ওচৰত সেও নামানিলে। অলপ দিনৰ পিচতে মানসীয়ে মনৰ হেৰোৱা বল ঘূৰাই আনিলে। সংসাৰৰ এতিয়া একমাত্র অৱলম্বন সোণক লৈ মানসী নিজৰ লক্ষ্যাত অলৰ অচৰ হৈ থাকিল। 'অঞ্জন সমাজ বিকাশ সংগঠন'ৰ কাম সোণৰ সহযোগত আগতকৈও উদ্যমেৰে কৰি যাবলৈ দৃঢ় প্রতিজ্ঞ হ'ল।

মানসীৰ ধাৰণা হ'ল, কেন্দ্রসমূহ মানসৰ দৰে অঞ্জন আৰু মানসীৰ পুত্র। কেন্দ্র সমূহৰ কর্ম বিলাক যিমান দিনলৈ জীয়াই থাকিব সিমান দিনলৈ অঞ্জন আৰু মানস জীয়াই থাকিব বুলি মানসীৰ দৃঢ় বিশ্বাস জন্মিল।

মানসীয়ে প্রতিজ্ঞা কৰিলে—কেন্দ্রসমূহ জীয়াই ৰাখিবই লাগিব। কেন্দ্রসমূহৰ সংখ্যা আৰু বঢ়াব লাগিব। ★

---

জীৱনত ধন ঘটাটোৱেই একমাত্র কাম্য হ'ব নোৱাৰে। মানুহ হৈ থাকিব পৰাটোহে আচল কথা। নিজে কিমান সুখ-সুবিধা আহৰণ কৰিব পাৰি সেইটো চিন্তাত থকাতকৈ আনৰ বাবে কিমানখিনি কৰিব পৰা যায় তাৰ চিন্তাহে কৰিব লাগে।

★ ★ ★ ★

কু কামৰ বাবে আত্মা যি অনুশোচনাত দগ্ধ হয় সেয়েই নৰক আৰু সৎ জীৱন-যাপনত আত্মাৰ যি সন্তুষ্টি সেয়েই স্বর্গ। নৈতিক জীৱন-যাপনৰ পুৰস্কাৰ সৎ জীৱন নিজেই।

—ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

---

# বিশ্ব পৰিক্ৰমা ঃ

## —'নতুন দক্ষিণ আফ্ৰিকা আৰু মেণ্ডেলাৰ সমুখত নতুন প্ৰত্যাহ্বান

১০ মে'৯৪ তাৰিখে অগণন মানুহৰ উপস্থিতিত দক্ষিণ আফ্ৰিকাৰ নতুন ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰি মেণ্ডেলাই বিশ্বৰ ইতিহাসত ৰচনা কৰিলে নতুন ইতিহাস। প্ৰায় তিনিশ বছৰ ধৰি চলা জাতি-বৰ্ণ বিদ্বেষী ৰাজনৈতিক ব্যৱস্থাৰ উচ্ছেদ কৰি বিশ্বৰ ৰাজনৈতিক মঞ্চত নতুন সুখানুভূতি লৈ জন্ম হ'ল দক্ষিণ আফ্ৰিকাৰ। মানৱ সভ্যতাৰ লগ্নৰ পৰা সামাজিক বৈষম্য বিভিন্ন সমাজত ওতঃপ্ৰোতভাৱে জড়িত হ'লেও, বিগত প্ৰায় তিনি শতিকাত দক্ষিণ আফ্ৰিকাই ৰাজনৈতিক ভাৱে আৰু চকুত পৰাকৈ এই জাতি-বৰ্ণ ব্যৱস্থাক সাৰ-পানী দি পৰিপুষ্ট কৰি আহিছিল ; কিন্তু মেণ্ডেলাৰ নেতৃত্বই এই ব্যৱস্থা উচ্ছেদ কৰি দক্ষিণ আফ্ৰিকাত নতুন মহাজাতীয়তাবাদৰ জন্ম দিলে।

অতীতত জাতি-বৰ্ণ বিভেদৰ ওপৰত ভিত্তি কৰি হোৱা নিৰ্বাচনৰ বিপৰীতে দক্ষিণ আফ্ৰিকাত এইবাৰৰ নিৰ্বাচন মোটামুটি ভাৱে গণতান্ত্ৰিক আছিল। ১৮ বছৰৰ ওপৰৰ দক্ষিণ আফ্ৰিকাৰ নাগৰিকে ভোটাধিকাৰ প্ৰয়োগ কৰি নিজৰ প্ৰকৃত ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিছিল। মোটামুটিকৈ তৃতীয় বিশ্বৰ এই নিৰ্বাচন নিৰপেক্ষ আছিল বুলি ক'ব পাৰি। ভোটৰ তালিকা অবিহনে I. D. কাৰ্ডৰ ওপৰত ভিত্তি কৰি নাগৰিক সকলক ভোটাধিকাৰ প্ৰয়োগ কৰিবলৈ সুবিধা দিয়া হৈছিল।

মেণ্ডেলাৰ নেতৃত্বত সম্প্ৰতি গঠিত কৰা হৈছে জাতীয় ঐক্যৰ চৰকাৰ। প্ৰদত্ত ভোটৰ শতকৰা পাঁচ ভাগ ভোট লাভ কৰা ৰাজনৈতিক দলৰ সদস্য মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ দ্বাৰা দক্ষিণ আফ্ৰিকাৰ সকলো গোষ্ঠী আৰু সংখ্যালঘু দলৰ মাজত ৰাজনৈতিক নিৰাপত্তাবোধৰ সৃষ্টি কৰি মেণ্ডেলাই ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় দিবলৈ সমৰ্থন হ'ল।

'নতুন' দক্ষিণ আফ্ৰিকা ভাৰতবৰ্ষৰ কাৰণে তাৎপৰ্যপূৰ্ণ। কাৰণ দক্ষিণ আফ্ৰিকাত দহ লাখতকৈ বেছি ভাৰতীয় বংশোদ্ভূত লোক বসবাস কৰে। বৰ্ণ বিদ্বেষী চৰকাৰৰ বিৰুদ্ধে প্ৰথমে সংগ্ৰামৰ সূত্ৰপাত কৰিছিল তাহানি মোহন দাস কৰমচাঁদ গান্ধীয়ে। দক্ষিণ আফ্ৰিকাত থকা শেষ ৰাষ্ট্ৰদূত সৰোজিনী নাইডুৰ অনুমোদনক্ৰমে দক্ষিণ আফ্ৰিকাৰ লগত ভাৰতবৰ্ষই পোন প্ৰথমে ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক ছেদ কৰিছিল আৰু ভাৰতবৰ্ষই মেণ্ডেলাক 'নেহৰু পুৰস্কাৰ' প্ৰদান কৰি বিশ্বৰ দৰবাৰত দক্ষিণ আফ্ৰিকাৰ ক'লা জাতীয়তাবাদৰ গুৰুত্ব বৃদ্ধি কৰিছিল।

বৰ্তমান মেণ্ডেলাৰ সমুখত দেখা দিয়া নতুন সমস্যাসমূহ আলোচনা কৰাৰ আগতে আমি অতি সংক্ষিপ্তভাৱে কুখ্যাত অ্যাপাৰথেইড বা Separate Development আৰু দক্ষিণ আফ্ৰিকাৰ জাতীয়তাবাদ সম্বন্ধে আলোচনা কৰিম।

ইংলেণ্ডৰ শিল্প বিপ্লৱৰ প্ৰভাৱত দক্ষিণ আফ্ৰিকাত প্ৰৱেশ কৰিছিল প্ৰথমে 'ডাচ' সকলে। উইলিয়াম অব অৰেঞ্জাৰ (ইংলেণ্ডৰ তৃতীয় উইলিয়াম)ৰ নেতৃত্বত বাণিজ্যৰ দিশত হলেণ্ডে প্ৰভুত্ব বিস্তাৰ কৰে। ইউৰোপৰ উপনিবেশীয় ৰাষ্ট্ৰমণ্ডলীৰ ভিতৰত হলেণ্ডেই প্ৰথমে 'ডাচ ইষ্ট ইণ্ডিয়া কোম্পানী' গঠন কৰি ভাৰতবৰ্ষ আৰু দক্ষিণ পূব এচিয়াত বাণিজ্যিক সুভাৰম্ভ কৰে। বাণিজ্যৰ যোগাযোগ আৰু খাদ্য যোগান সুনিশ্চিত কৰাৰ উদ্দেশ্যে হলেণ্ডৰ নাবিকসকলে নিজ ৰাজ্যৰ পৰা কিছুমান কৃষক আনি দক্ষিণ আফ্ৰিকাৰ কেপটাউনৰ ওচৰত সংস্থাপিত কৰিছিল। এই কৃষকসকলেই দক্ষিণ আফ্ৰিকাৰ আদিম জনগোষ্ঠীৰ লগত প্ৰথমে সহযোগিতাৰ মাধ্যমেৰে আৰু পিচত কূটকৌশল প্ৰয়োগ কৰি নতুন নতুন কৃষি মাটি দখল কৰাৰ বাবে উঠি-পৰি লাগিল। ইতিমধ্যে হলেণ্ডত দেখা দিয়া ধৰ্মীয়, ৰাজনৈতিক আৰু বাণিজ্যিক পৰিবৰ্তনৰ ফলত ডাচ কৃষকসকলে দক্ষিণ আফ্ৰিকাৰ উত্তৰ-পূব অঞ্চলৰ বিশাল তৃণভূমিত বসবাস আৰম্ভ কৰে। এই বিদেশী অনুপ্ৰৱেশকাৰীসকলৰ ক্ষমতাৰ মূল উৎস আছিল ঘোঁৰা আৰু বন্দুকৰ নলী। উত্তৰ-পূব পিনে পৰম্পৰা অনুযায়ী জীৱন নিৰ্ব্বাহ কৰা আদিম জনগোষ্ঠীটোৱে আধুনিক সভ্যতাৰ পোহৰত কৌশল অৰ্জন কৰা ডাচ সকলৰ হাতত পৰাজিত হ'বলৈ বাধ্য হৈছিল। কালক্ৰমত ডাচসকলে দক্ষিণ আফ্ৰিকাৰ আদিম জনগোষ্ঠীক সম্পূৰ্ণভাৱে পদানত কৰিছিল। অৱশ্যে তাৰ লগে লগে কিছুসংখ্যক মানুহক তেওঁলোকে খৃষ্টধৰ্মত দীক্ষিত কৰিবলৈও পাহৰা নাছিল।

বুয়েৰ নামেৰে জনাজাত এই ইউৰোপীয়ান সকলে নিজকে আমেৰিকান সমগোত্ৰীয় বুলি গণ্য কৰে। যিদৰে ইউৰোপৰ বিভিন্ন দেশৰ পৰা প্ৰব্ৰজন কৰা প্ৰোটেষ্টান ধৰ্মী লোকসকলে আমেৰিকাৰ ভূমিপুত্ৰসকলক বিতৰণ কৰি পূৰ্বৰ জাতীয়সত্তা পৰিহাৰ কৰি নিজকে আমেৰিকান বুলি পৰিচয় দিবলৈ ধৰিলে, ঠিক সেইদৰে বুয়েৰ সকলেও নিজকে আফ্ৰিকানাৰ (Afrikaner) বুলি পৰিচয় দিবলৈ ধৰিলে। নেপোলিয়নৰ পতনৰ পিচত ইউৰোপত দেখা দিয়া পট পৰিবৰ্তনৰ সুযোগ গ্ৰহণ কৰি ইংলেণ্ডে হলেণ্ডৰ হাতৰ পৰা দক্ষিণ আফ্ৰিকা দখল কৰে আৰু ইংলেণ্ডৰ নতুন ৰাজনৈতিক ব্যৱস্থাৰ হেঁচাত বুয়েৰসকল আফ্ৰিকাৰ আভ্যন্তৰীণ অঞ্চলত প্ৰৱেশ কৰিবলৈ বাধ্য হৈ পৰে।

শ্বেতাংগসকলৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক কূটকৌশলৰ বলি হৈ দক্ষিণ আফ্ৰিকাৰ পৰিশ্ৰমী, স্বাধীনচেতীয়া আদিবাসীসকল আধুনিক শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত হৈ সৰ্বতোপ্ৰকাৰে অনগ্ৰসৰ হৈ থাকিবলগীয়া হ'ল প্ৰায় ২০০ বছৰ ধৰি। এওঁলোকৰ জীৱন-যাত্ৰা আৱৰ্তিত হৈ থাকিল শাৰীৰিক আনন্দ আৰু বেদনাৰ চক্ৰত। এই দুৰ্ভগীয়া মানুহখিনিৰ মাজত খৃষ্ট ধৰ্মৰ প্ৰচাৰ

কৰি তেওঁলোকক আধুনিক সভ্যতাৰ পোহৰলৈ অনাৰ দায়িত্ব ল'লে গীৰ্জাৰ প্ৰভুসকলে। কিন্তু খৃষ্ট ধৰ্মত দীক্ষিত হ'লেও কৃষ্ণাংগ মানুহখিনিক শ্বেতাংগসকলৰ উন্নতিৰ বাটত খোজ দিয়াৰ যোগ্য বুলি বিবেচনা কৰা নহ'ল। দক্ষিণ আফ্ৰিকাৰ বৰ্ণবিদ্বেষৰ গোড়া সমৰ্থক হ'ল যাজকসকল। অতীতৰ পৰা অফ্ৰিকান চাৰ্চৰ প্ৰভুসকলে অজ্ঞ আৰু নিৰক্ষৰ কৃষ্ণাংগসকলক বুজাই দিছিল যে শ্বেতাংগসকল হ'ল ভগৱানৰ প্ৰিয় সন্তান। ভগৱানৰ ইচ্ছানুযায়ী শ্বেতাংগ আৰু কৃষ্ণাংগ সকলৰ মাজত মৌলিক পাৰ্থক্য থকাটো বাঞ্ছনীয়। এই পাৰ্থক্যৰ আধাৰত দক্ষিণ আফ্ৰিকাৰ বিশেষ বিশেষ অঞ্চল, দোকান, মটৰ গাড়ী, অফিচ আদি শ্বেতাংগসকলৰ বাবে সংৰক্ষিত কৰাৰ ব্যৱস্থা কৰা হ'ল। এইদৰে 'অ্যাপাৰ থেইড' বা ( Separate Development ) ব্যৱস্থা অনুযায়ী বহু যুগ ধৰি দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাংগসকলক ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ পৰা বঞ্চিত কৰি ৰখা হ'ল।

১৯৪৮ চনত বুয়েৰ প্ৰাধান্য থকা National Party য়ে নিৰ্বাচনত জয়লাভ কৰি ৰাজনৈতিক ক্ষমতা কৰায়ত্ত কৰে। অ্যাপাৰ থেইড নীতি অনুযায়ী শ্বেতাংগসকলৰ প্ৰভুত্ব চিৰস্থায়ী কৰাৰ এলানি আইন যেনে—Group Areas Act, Immorality Act আৰু Mixed Marriage Act প্ৰণয়ন কৰে। ইপিনে শিল্পোদ্যোগত বুয়েৰ সকলতকৈ আগবঢ়া ইংৰাজসকলে দক্ষিণ আফ্ৰিকাত বহু কল-কাৰখানা স্থাপন কৰে। ফলত আৰ্থিক দিশত দক্ষিণ আফ্ৰিকাত নতুন সমস্যাৰ সৃষ্টি হয়। বুয়েৰসকলে আন আন গৰীব বগা চামৰাৰ মানুহৰ সৈতে ঐক্যবদ্ধ হৈ ট্ৰেড ইউনিয়ন গঠন কৰি কল-কাৰখানা, অফিচ আদিত বগা চামৰাৰ মানুহৰ চাকৰি সংৰক্ষণৰ দাবী তোলে। এইদৰে সময়ৰ গতি সলনিৰ লগে লগে দক্ষিণ আফ্ৰিকাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ দ্ৰুত পৰিবৰ্তন হ'বলৈ ধৰে আৰু এই পৰিবৰ্তিত পটভূমিত দক্ষিণ আফ্ৰিকাত নতুন জাতীয়তাবাদ গঢ় লৈ উঠে। লক্ষণীয় কথা এই যে দক্ষিণ আফ্ৰিকাৰ জাতীয়তাবাদৰ মৌলিক গাঁথনি হ'ল গোষ্ঠী চেতনা তথা ট্ৰাইবালিজিম। এই ট্ৰাইবালিজিমৰ প্ৰকৃত চৰিত্ৰ বুজিব পৰা যায় দক্ষিণ আফ্ৰিকাৰ গোষ্ঠীসমূহৰ মাজত লগা নিষ্ঠুৰ হিংসামূলক ঘটনাৰাজিৰ পৰা। দক্ষিণ আফ্ৰিকাৰ জাতীয়তাবাদ কথাটো এটা অৰ্থত স্বপ্নবোধক যেন লাগিলেও পৰিবৰ্তিত অৱস্থাৰ লগত সংগতি ৰাখি কৃষ্ণাংগ আৰু শ্বেতাংগসকলৰ মাজত সমন্বয় সাধন কৰাৰ ওপৰত যে দক্ষিণ আফ্ৰিকাৰ সুস্থ ভৱিষ্যত নিৰ্ভৰ কৰিছে তাত অকণো সন্দেহ নাই।

অৱশ্যে বৰ্তমান দক্ষিণ আফ্ৰিকাত বৰ্ণবাদৰ পৰিৱৰ্তে অৰ্থবাদৰ উত্তৰায়ণ লক্ষ্য কৰিব পাৰি। Group Areas Act উঠাই দিয়াৰ ফলস্বৰূপে সম্পদশালী ক'লা আৰু বগা শ্ৰেণীৰ মাজত, বিভাজনৰ সীমাৰেখা নোহোৱা হোৱাত দুয়োটা শ্ৰেণীয়ে আৰ্থিক তাগিদাত মিলা-মিচা কৰিবলৈ বাধ্য হৈছে।

নাটালত বাস কৰা ভাৰতীয়সকলে জুলু গোষ্ঠীৰ আক্ৰমণাত্মক দৃষ্টিভংগীত শংকিত হৈ

নিজৰ নিৰাপত্তাৰ বাবে এইবাৰ নিৰ্বাচনত ডি. ক্লাৰ্কৰ National Party ক ভোট দান কৰিছে। অৱশ্যে মেণ্ডেলাই তেওঁৰ মন্ত্ৰীসভাত ভাৰতীয় স্পীকাৰ, ডেপুটি স্পীকাৰ আদি গুৰুত্বপূৰ্ণ বাব প্ৰদান কৰি ভাৰতীয় বংশোদ্ভূতসকলক প্ৰাধান্য আৰু নিৰাপত্তা দিয়াটো লক্ষ্যণীয়।

বঞ্চিত, অৱহেলিত আৰু শোষিত দক্ষিণ আফ্ৰিকাৰ সাধাৰণ মানুহৰ আশা–আকাঙ্খ্যা পূৰণ কৰাৰ প্ৰতিশ্ৰুতিৰে মেণ্ডেলাৰ নতুন চৰকাৰে Reconstruction and Development Programme ৰ ৰূপৰেখা অনুসাৰে এইবোৰ কাৰ্য সম্পাদন কৰিবলৈ প্ৰতিজ্ঞাৱদ্ধ হৈছে : (১) ২৫ লাখ মানুহৰ কৰ্মব্যৱস্থা কৰা (২) ন্যূনতম সা-সুবিধাৰে ১০ লাখ গৃহ নিৰ্মাণ কৰা (৩) বাধ্যতামূলকভাৱে আৰু বিনামূল্য প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা (৪) দৰিদ্ৰ অঞ্চলত জন–স্বাস্থ্য ৰক্ষাৰ সু-ব্যৱস্থা কৰা (৫) কৃষি ভূমিৰ শতকৰা ৩০ ভাগ ভূমিহীন কৃষকৰ হাতত তুলি দিয়া ইত্যাদি। এই বিৰাট প্ৰতিশ্ৰুতি কাৰ্য–কৰী কৰিব লাগিলে মেণ্ডেলাৰ চৰকাৰক সত্বহতে প্ৰয়োজন হ'ব ১১ বিলিয়ন ডলাৰ। এই বিৰাট অঙ্কৰ অৰ্থখিনি সংগ্ৰহ কৰাটো মেণ্ডেলাৰ সমুখত সম্প্ৰতি এক বিৰাট প্ৰত্যাহ্বান। ই নিৰ্ভৰ কৰিছে মেণ্ডেলাৰ ব্যক্তিত্ব আৰু সফল নেতৃত্বৰ ওপৰত। আমি মেণ্ডেলাৰ পাণ্ডিত্য, আত্মত্যাগৰ ইতিহাস আৰু ৰাজনৈতিক প্ৰজ্ঞাক স্বীকাৰ কৰিও ক'ব লাগিব যে দক্ষিণ–আফ্ৰিকাৰ জনসাধাৰণক দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি সফলভাৱে ৰূপায়ণ কৰাত ব্যৰ্থ হ'লে, মেণ্ডেলাৰ ভাগ্য নক্ৰুমা, নিয়েৰেৰে আদিৰ দৰে অন্ধকাৰৰ গৰ্ভত নিমজ্জিত হ'বলৈ বাধ্য। অৱশ্যে এইটো নঘটাকে বিশ্বৰ সকলো শুভ বুদ্ধিসম্পন্ন মানুহে কামনা কৰে। *

---

[ * সাম্প্ৰতিক আলোচনী আদিৰ ভিত্তিত আলোচনাটি যুগুতাই দিলে বুৰঞ্জীবিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীদ্বিজেন দাসে। ]

## স্মৰণীয় ঃ

"যি গান্ধীক কেতিয়াও দেখা নাই, কেৱল তেওঁ লেখা ৰচনা আদি পঢ়িছে, তেওঁৰ মনত এনেকুৱা লাগিব পাৰে, তেওঁ যেন পুৰোহিত শ্ৰেণীৰ মানুহ—অতি পৱিত্ৰতাবাদী, গহীন-গম্ভীৰ, তেওঁৰ মুখত আনন্দৰ চিন নাই, কিবা 'ক'লা কাপোৰ পিন্ধা খৃষ্টান সাধুসকলৰ নিচিনাকৈ তেওঁ ফুৰা-চকা কৰে।' কিন্তু লেখা পঢ়ি তেওঁৰ প্ৰতি ধাৰণা কৰিবলৈ গ'লে অবিচাৰ কৰা হয়, তেওঁৰ লেখাতকৈ তেওঁ বহুত ডাঙৰ, তেওঁ লেখা কিবা কথা উৰ্দ্ধৃত কৰি তাৰ সমালোচনা কৰা বৰ সমীচীন নহয়। তেওঁ খৃষ্টান সাধু পুৰোহিতৰ সম্পূৰ্ণ বিপৰীত। তেওঁৰ হাঁহিমুখখন দেখিলেই মন প্ৰফুল্ল হয়, তেওঁৰ হাঁহিত যাদু আছে, তেওঁৰ ওচৰত বহিলে মনটো পাতল লাগি যায়। শিশুৰ দৰে তেওঁৰ সৰলতাই মʼমানুহক মুগ্ধ কৰে। তেওঁ যেতিয়া কোনো খোটালিলৈ সোমাই আহে, তেতিয়া এক নিৰ্মল পোহৰত যেন চৌদিশ উদ্ভাসিত হৈ উঠে।" *

—জৱাহৰলাল নেহৰু।

[ * নৰেন্দ্ৰ নাথ শৰ্মা অনূদিত জৱাহৰলাল নেহৰুৰ আত্মজীৱন চৰিতৰ পৰা সংগৃহীত ]

আমি বহুতেই ৰহস্যবাদৰ পথত যাব নোবাৰিব পাৰোঁ আৰু আধ্যাত্মিক অভিজ্ঞতাৰ কথা আমাৰ ভাল নালাগিবও পাৰে। কিন্তু সেইবুলি আমাৰ মনে চিন্তা কৰিব নোৱাৰিলে বুলিয়েই আৰু আমাৰ কোনো বস্তু ভাল নালাগিল বুলিয়েই তাক অবান্তৰ বুলি দলিয়াই পেলাব নোৱাৰি। আধ্যাত্মিক অভিজ্ঞতাৰ প্ৰতি আমি নিজকে অন্ধ কৰি ৰাখিলেও ই সত্য নোহোৱাকৈ নাথাকে। আমি বহুত চেষ্টা কৰিও আইনষ্টাইনৰ আপেক্ষিকতাবাদ বুজিব নোৱাৰিব পাৰোঁ; কিন্তু সেই বুলিয়েই এনে সচেতন অজ্ঞতা বা অসমৰ্থতাই তাৰ ওপৰত অবিশ্বাস নুবুজায়।


—সৰ্বপল্লী ৰাধাকৃষ্ণন।

# আমাৰ প্ৰতিভা ঃ




**মিচ্ হিড়িম্বা হাজোৱাৰী**

বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



**শ্ৰীন্দপ কুমাৰ ৰাভা**

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



**শ্ৰীপ্ৰদীপ কলিতা**

বছৰৰ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী

## নৱাগত আদৰণি উৎসৱৰ ৰেঙণি ঃ



নৱাগত আদৰণি উৎসৱৰ মুখ্য অতিথি হিচাবে ভাষণৰত অৱস্থাত কবি নৱকান্ত বৰুৱা ।

## মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি ঃ



'মহাবিদ্যালয় সপ্তাহ'ৰ মুখ্য অতিথি হিচাবে ভাষণৰত অৱস্থাত কবি হীৰেন ভট্টাচাৰ্য ।

# অসমৰ দুগৰাকী বিশিষ্ট কবি

- নৱকান্ত বৰুৱা

আৰু

- হীৰেন ভট্টাচাৰ্যৰ

সৈতে 'জৱাহৰ জ্যোতি'ৰ
তত্ত্বাৱধায়কৰ সাক্ষাৎকাৰ ।

তোমালোকে পোহৰ বিচৰা পোহৰেৰে
পোহৰক ক'ত পাবা পোহৰত
... ... ... ... ... ... ... ...
আহিবা লগত লৈ
চিত্তৰ তিমিৰ····· অকপট, অমোঘ, সৰল···
তেতিয়া দেখিব পাবা
অনন্ত উজ্জ্বল কৰা নিমিষৰ
আলোক স্পন্দন ·····

—নৱকান্ত বৰুৱা।

o o o

মোকো তোমাৰ প্ৰেমিক কৰি লোৱা
কাতৰ দেহত খেলক বসন্ত বতাহ,
প্ৰিয় শব্দ আহি খুন্দা খাওক কলিজাত।
মুকলি হওক বৰ্ণবোৰৰ বন্দী আখৰ,
সিহঁতৰ গাত
ভিৰবিৰ কৰক উৎসৱৰ সাজ
আহা তোমাৰ গান শুনো, প্ৰেমৰ নিজান গান।

—হীৰেন ভট্টাচাৰ্য।

## ঃ কবি নৰকান্ত বৰুৱাৰ সৈতে সাক্ষাৎকাৰ ঃ

"…'জোনাকী যুগ' আৰু আৱাহন যুগ'ত অসমীয়া সাহিত্যৰ ৰাজধানী আছিল কলিকতা। গুৱাহাটীক অসমীয়া সাহিত্যৰ ৰাজধানী কৰিলে 'ৰামধেনু যুগ'ৰ এদল উজ্জ্বল উদ্ধত তৰুণে—যি সকলৰ মধ্যমণি আছিল নৰকান্ত বৰুৱা।" …হোমেন বৰগোহাঞি।

[ ৯।৭।৯৪ ইং তাৰিখে আবেলি অসমৰ প্ৰথিতযশা কবি, বিশিষ্ট শিক্ষাবিদ নৰকান্ত বৰুৱাদেৱক গুৱাহাটীৰ নিজ বাসভৱনত সাক্ষাৎ কৰিছিলোঁ সাহিত্য-সংস্কৃতি সম্পৰ্কে আমি যুগুতাই নিয়া কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি। নিজৰ ব্যস্ততাপূৰ্ণ দৈনন্দিন জীৱনৰ মাজত আমাৰ বাবে আত্মীয়াকৈ প্ৰয়োজনীয় আহৰি উলিয়াই অতি আন্তৰিকতাৰে আমাৰ প্ৰশ্নসমূহৰ উত্তৰ দি আমাক কৃতাৰ্থ কৰা বাবে শ্ৰদ্ধেয় কবি গৰাকীক আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। —দিলীপ দাস, তত্ত্বাৱধায়ক, 'জৱাহৰ জ্যোতি'। ]

১ নং প্ৰশ্ন ঃ কবিতাত অপেক্ষাকৃতভাৱে বেছি গুৰুত্ব দি সাহিত্যৰ আন কিছুমান দিশতো হাত দি আপুনি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। সাহিত্যৰ কোনটো দিশত আপুনি আত্মপ্ৰকাশৰ সন্তুষ্টি বেছি অনুভৱ কৰে?

উত্তৰ ঃ কবিতাৰে আৰম্ভ কৰিছিলোঁ আৰু এতিয়ালৈ কবিতা লিখি আছোঁ। সেই কাৰণে হয়তো কবিতাক গুৰুত্ব দিয়া বুলি ক'ব পাৰি। মোৰ আনটো দিশ হয়তো উপন্যাস। স্বৰূপতে ক'বলৈ গ'লে, ঐতিহাসিক উপন্যাস। মই কাহিনী সাজিব নাজানোঁ, সেইবাবে মই চুটি গল্প লিখিব নোৱাৰিলোঁ। মোৰ উপন্যাসবোৰৰ কাহিনী বা কাহিনীৰ ভেটিটো ইতিহাস বা পৰম্পৰাই নিৰ্মাণ কৰি দিয়া। মই কেৱল তাক সজীৱ কৰি তুলিবলৈ চেষ্টা কৰোঁ। কবিতা লেখাৰ সময়ত মই চেতনাৰ উচ্চ শিখৰত উঠিবলৈ অথবা অৱচেতনৰ গহ্বৰত সোমাবলৈ চেষ্টা কৰোঁ। উপন্যাসৰ ক্ষেত্ৰত মই পাঠকৰ সৈতে একেখন সমতলত থিয় দি যেন কথা-বতৰা হওঁ। শিশু সাহিত্যৰ ক্ষেত্ৰতো মই ঘাইকৈ কবি, কিন্তু শিশুৰ কাল্পনিক জগতখনৰ দেখাত উদ্ভট কিন্তু অন্তৰঙ্গ আবেগ অনুভূতিবোৰ মই গদ্যেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰোঁ।

আত্মসন্তুষ্টি বুলি মোৰ কোনো ধাৰণা নাই। কিন্তু মই কবি নোহোৱা হ'লে কথা সাহিত্যিকো নহ'লোহেঁতেন, শিশু সাহিত্যিকো নহ'লোহেঁতেন।

২ নং প্ৰশ্ন ঃ আপোনাৰ জীৱন দৰ্শন সম্পৰ্কে কিছু আভাস দিবনে?

উত্তৰ ঃ দোষ-গুণেৰে ভৰা এই পৃথিৱীখনক আৰু মানুহকে ধৰি তাৰ সকলো প্ৰাণীকে ভাল

পাবলৈ চেষ্টা কৰোঁ। আৰু এটা কথাও অনুভৱ কৰোঁ—যেন চিন্তাবিহীন কৰ্ম আৰু কৰ্মবিহীন চিন্তা অসাৰ্থক। কিন্তু চিন্তাকো কেতিয়াবা কৰ্ম হিচাবে গ্ৰহণ কৰিব পাৰি।

৩ নং প্ৰশ্নঃ আপোনাক অনুপ্ৰাণিত কৰা দুই চাৰিজন দেশী বিদেশী কবিৰ নাম ক'বনে? তেওঁলোকৰ কবিতাৰ কেনেবোৰ বৈশিষ্ট্যই আপোনাক আকৰ্ষণ কৰে সেই বিষয়েও চমুকৈ জুআযাৰ ক'ব নেকি?

উত্তৰঃ কবিতা লেখাৰ এই পঞ্চাশ বছৰৰ ভিতৰত বিভিন্নজনে বিভিন্নভাবে প্ৰভাৱিত কৰিছে। কৈশোৰ অৱস্থাত দেৱকান্ত বৰুৱা, গণেশ গগৈ, ৰত্নকান্ত বৰকাকতী আদিয়ে, যৌৱনৰ পৰা এতিয়ালৈকে ৰবীন্দ্ৰনাথ ঠাকুৰে আৰু এসময়ত অভিভূত কৰিছিল মেথিউ আৰ্ণল্ডৰ কবিতাই। এতিয়া এই বাৰ্ধক্যত অভিভূত হৈ পৰিছোঁ গে'টেৰ কাব্য নাট ফুখন পঢ়ি। থ্‌লমূলকৈ এই কেইজনৰ নামকে ক'লো। কিন্তু হুইটমেন, পুশ্বকিন আদি আন কিছুমান বিদেশী কবিয়েও মোক মানুহৰ ঐক্যৰ বিষয়ে সজাগ কৰিছে। ৰবীন্দ্ৰনাথৰ মানৱতাবাদ, হুইটমেনৰ বলিষ্ঠ গণতান্ত্ৰিক আদৰ্শ, পুশ্বকিনৰ কাৰুণ্য— এইবোৰে মোক ইমান অভিভূত কৰিছিল যে মই সেইবোৰৰ বহুতো নিজৰ কবিতা হিচাবে লেখি পেলাইছিলোঁ। অৰ্থাৎ অনুবাদ কৰিছিলোঁ। এতিয়া গে'টেৰ ক্ষেত্ৰতো সেয়ে ঘটিছে। জীৱনত সুন্দৰ–অসুন্দৰ, শুভ–অশুভ যে সদায় একেলগে সাঙোৰ খাই থাকে সেই কথাটো গে'টেই মোৰ মনৰ চকুত উদ্ভাসিত কৰিছে। মই যে এওঁলোকক কেৱল অনুবাদেই কৰিছোঁ সেইটো নহয়, মোৰ নিজৰ কবিতাৰ ক্ৰম-বিকাশৰ ইতিহাস কোনোবাই অনুসন্ধান কৰিলে এওঁলোকৰ এই প্ৰভাৱ উপলব্ধি কৰিব পাৰিব।

৪ নং প্ৰশ্ন: আপুনি কিছুমান প্ৰাণ-পৰশা অৰ্থপূৰ্ণ গীতো ৰচনা কৰিছে। কবিতা নে গীত ৰচনাই আপোনাক বেছি আনন্দ দিয়ে?

উত্তৰ: মোৰ গায়ক সুৰকাৰ বন্ধু বীৰেণ দত্তৰ সংযোগতহে মোৰ গানবোৰৰ ৰচনা আৰু বিকাশ সম্ভৱ হৈছে। মোৰ শ্ৰোতা-পাঠকে অলপ মন কৰিলেই ধৰিব পাৰিব যে মোৰ বহুতো গান দৰাচলতে মোৰ কবিতাৰে ঘনীভূত ৰূপ (Condensed form)। সেই কাৰণে হয়তো কাব্যামোদী সকলেও সেইবোৰ গ্ৰহণ কৰিছে। কেইবাজনো তৰুণ সুৰকাৰ গায়কেও মোৰ গান ৰূপায়িত কৰিছে, যেন ৺ জ্যোতিষ ভট্টাচাৰ্য।

ক'ত বেছি আনন্দ পাওঁ সেইটো দৰাচলতে প্ৰশ্ন নহয়; প্ৰশ্ন হৈছে মোৰ প্ৰত্যেক ৰচনাতে মই আনন্দ আৰু বিষাদ একেলগে পাওঁ। মোৰ আনন্দ মোৰ প্ৰচেষ্টাৰ বাবে আৰু বিষাদ মোৰ অসম্পূৰ্ণতাৰ বাবে।

৫ নং প্ৰশ্ন: উদীয়মান অসমীয়া কবিসকলৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণাৰ এটি থ্‌লমূল আভাস দিবনে?

৬ নং প্ৰশ্ন: অসমীয়া সাহিত্যৰ সাম্প্ৰতিক মানদণ্ড আন কিছুমান ভাৰতীয় ভাষাৰ সাহিত্যৰ তুলনাত কেনে সেই বিষয়ে আপোনাৰ মতামত চমুকৈ জনাবনে?

দুয়োটা প্ৰশ্নৰ উত্তৰ ঃ চৰায়ে যেনেকৈ পখা অনুক্ৰমে উৰে, তেনেকৈয়ে কবিসকলেও নিজৰ শক্তি আৰু সাধ্য অনুসৰি কবিতা ৰচনা কৰে। প্ৰত্যেকৰে নিজস্ব এখন পৃথিৱী থাকে আৰু সেই পৃথিৱীখন বহল মানৱ বিশ্বৰে এটা অংশ। এই কথাখিনি মই এতিয়া লেখি থকা কবি সকলৰ ক্ষেত্ৰতো প্ৰয়োগ কৰোঁ। কবি সকলে যেতিয়া নিজৰ অনুভূত জীৱনেৰে (felt life) কবিতা ৰচনা কৰে তেতিয়াই সেই কবিতা সাৰ্থক হয় আৰু যেতিয়া এই অন্তৰঙ্গ জীৱনবোধ নাথাকে তেতিয়াই কবিতাই এটা বাহ্যিক ৰূপতহে দেখা দিয়ে। এইখিনিতে মোৰ মনত পৰিছে সংস্কৃত আলংকাৰিক-সকলৰ কথা। তেওঁলোকে কাব্য আৰু চিত্ৰ-কাব্য বুলি দুটা শব্দ ব্যৱহাৰ কৰিছিল। কাব্য বুলিলে তেওঁলোকে তেনেধৰণৰ সৃষ্টিকে বুজিছিল য'ত অন্তৰঙ্গ জীৱনবোধ আছে আৰু যি উপ-যুক্ত আঙ্গিকৰ দ্বাৰা ৰসোত্তীৰ্ণ হৈছে। আন-হাতে চিত্ৰকাব্যত কবিতাৰ দেহাবয়ব আছে—তাৰ অন্তৰঙ্গ জীৱনবোধ বা আত্মা নাই। সহজকৈ ক'বলৈ হ'লে, এবিধ প্ৰকৃত কাব্য আৰু আনবোৰ কাব্যৰ ছবি মাথোঁ। ছবিত যেনেকৈ আত্মা নাথাকে ঠিক তেনেকৈ চিত্ৰকাব্যতো প্ৰকৃত কাব্য গুণ নাথাকে। ইয়াৰ বিচাৰ কিন্তু পাঠকেহে কৰে। গতিকে সাম্প্ৰতিক কবিতাৰ পাঠক হিচাবে মই কাব্য, চিত্ৰকাব্য দুয়োবিধৰে সমুখীন হৈছোঁ। কিন্তু অসমীয়া কবিতাৰ ধাৰাবাহিকতা কেতিয়াও ক্ষুণ্ণ হোৱা নাই বুলিয়ে মোৰ ধাৰণা।

ভাৰতীয় আন ভাষাৰ লগত তুলনামূলক-ভাৱে কোৱাটো টান, যিহেতু অসমীয়া আৰু বঙলা ভাষাৰ কবিতাৰ বাহিৰে আন ভাৰতীয় ভাষাৰ লগত মোৰ প্ৰত্যক্ষ পৰিচয় নাই। অসমীয়া, মাৰাঠী কবিতা ( ইংৰাজী অনুবাদত ) একেলগে পঢ়িলে মই চৰিত্ৰগত একো পাৰ্থক্য দেখা নাপাওঁ। তাৰ কাৰণ হয়তো সম্প্ৰতি ভাৰতত আনকি বিশ্বতো একে ধৰণৰ চিন্তাভাৱনাই প্ৰভাৱ পেলাই আছে।

৭ নং প্ৰশ্ন ঃ মুষ্টিমেয় যি কেইজন সমালোচকে অসমীয়া সাহিত্যৰ সমালোচনাত ব্ৰতী হৈ আছে তেওঁলোকে কিমানদূৰ সফলতাৰে নিজৰ ভূমিকা পালন কৰিছে বুলি ভাৱে?

উত্তৰ ঃ এই ক্ষেত্ৰতো এটা কথা কওঁ—এওঁলোকেও পখা অনুক্ৰমেহে উৰিছে। অসমীয়া সাহিত্যৰ বহল দিগন্ত তেওঁলোকে হয়তো সম্পূৰ্ণ পৰিক্ৰমা কৰিব পৰা নাই। একেবাৰে সাম্প্ৰতিক কালৰ কবিতাৰ আলোচনাত ধূলি যিমান উৰিছে, কবিতাৰ সত্য সিমানে ঢাক খাই গৈছে যেন লাগে। চৰ্যাপদৰ পৰা আৰম্ভ কৰি বৈষ্ণৱ যুগ সামৰি একেবাৰে এতিয়াৰ কবি হীৰেন ভট্ট আনকি নীলিম কুমাৰলৈকে সকলোবোৰ সামৰি এটা বিহঙ্গম দৃষ্টিৰে কোনোবাই সমালোচনা সাহিত্য সৃষ্টি কৰাৰ চেষ্টা কৰিলে অসমীয়া সাহিত্যৰ বৰ ডাঙৰ সেৱা কৰা হ'ব।

৮ নং প্ৰশ্ন ঃ আন ভাষাৰ পৰা অসমীয়া ভাষালৈ যিমান গ্ৰন্থ অনূদিত হৈছে তাৰ তুলনাত অসমীয়া ভাষাৰ পৰা আন ভাষালৈ বিশেষকৈ